# 2019

# ECONOMICS

## ( Major )

Paper : 2.1

## ( Microeconomics—II )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions as directed : 1×10=10

নির্দেশ অনুসৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) What is reservation price?

সংৰক্ষিত দাম মানে কি বুজা?

(b) What do you mean by product differentiation?

দৰ বিভেদীকৰণ বুলিলে কি বুজা?

*(c)* Name the first economist who attempted to provide a systematic definition of perfect competition.

কোনজন অৰ্থনীতিবিদে পোনপ্ৰথমে পূৰ্ণ প্ৰতিযোগী বজাৰৰ পদ্ধতিগত সূত্ৰ আগবঢ়াইছিল ?

*(d)* If price < the minimum AVC, what will the firm do?

যদি দাম < সৰ্বনিম্ন গড় পৰিৱৰ্তনশীল খৰছ হয়, এখন প্ৰতিষ্ঠানে কি কৰিব ?

*(e)* The demand function of a monopolist is $Q = 1/5(55 - P)$. If $P = 50$, what is price elasticity of demand?

এখন একচেটিয়া প্ৰতিষ্ঠানৰ চাহিদা কাৰ্য হ'ল $Q = 1/5(55 - P)$. যদি দাম $P = 50$ হয়, চাহিদাৰ স্থিতিস্থাপকতা কিমান হ'ব ?

*(f)* Fill in the blank :

খালী ঠাই পূৰণ কৰা :

$MRP_L = MPP_L \times$ ____.

শ্ৰমিকৰ আয়গত প্ৰান্তিক উৎপাদনশীলতা = শ্ৰমিকৰ বস্তুগত প্ৰান্তিক উৎপাদনশীলতা × ____ ।

*(g)* What is insurable risk?

অবীমাকৃত ক্ষতিশংকা মানে কি ?

(h) What do you mean by Pareto's optimality?

পেৰেটোৰ সামাজিক কাম্য ধাৰণা মানে কি বুজা ?

(i) What is project evaluation?

প্ৰকল্প মূল্যায়ন মানে কি ?

(j) Who advocated the interpersonal comparison of utility concept?

ব্যক্তিৰ মাজত উপযোগিতাৰ তুলনামূলক ধাৰণাটো কোনে আগবঢ়াইছিল ?

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write the differences between selling cost and production cost.

বিক্ৰী খৰছ আৰু উৎপাদন খৰছৰ মাজত থকা পাৰ্থক্যসমূহ লিখা।

(b) Differentiate between personal distribution and functional distribution.

ব্যক্তিগত বিতৰণ আৰু ক্ৰিয়ামূলক বা কাৰ্যকৰী বিতৰণৰ মাজত পাৰ্থক্য বিচাৰ কৰা।

(c) State the main limitations of Pareto's criteria for welfare economics.

পেৰেটোৰ কল্যাণ অৰ্থনীতিৰ ধাৰণাটোৰ মূল সীমাবদ্ধতা উল্লেখ কৰা।

(d) Write the two conditions of equilibrium in a perfectly competitive industry.

পূৰ্ণ প্ৰতিযোগী বজাৰত এটা উদ্যোগৰ ভাৰসাম্য চৰ্ত দুটা লিখা।

(e) Distinguish between rent and quasi-rent.

খাজনা আৰু সদৃশ- বা আংশিক-খাজনাৰ মাজত থকা পাৰ্থক্য লিখা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Why a monopolist does not have a unique supply curve?

একচেটিয়া ব্যৱসায়ীৰ কিয় নিৰ্দিষ্ট এডাল যোগান ৰেখা নাথাকে ?

(b) Distinguish between perceived and proportionate demand curve.

নিৰীক্ষিত চাহিদা ৰেখা আৰু আনুপাতিক চাহিদা ৰেখাৰ মাজত থকা পাৰ্থক্য বিচাৰ কৰা।

(c) "Profit is the reward of the entrepreneur for bearing uncertainty." Explain the statement.

"লাভ হৈছে উদ্যোগীয়ে বহন কৰা অনিশ্চয়তাৰ পুৰস্কাৰ।" উক্তিটো ব্যাখ্যা কৰা।

(d) What is payback period method of project evaluation? Write the limitations of payback period method.

প্ৰকল্প মূল্যায়নৰ প্ৰাপ্য উদ্ধাৰকাল পদ্ধতি মানে কি? প্ৰাপ্য উদ্ধাৰকাল পদ্ধতিৰ সীমাবদ্ধতাসমূহ লিখা।

(e) What is price discrimination? Is price discrimination socially justified? Give reasons.

দৰ বিভেদীকৰণ কি? ই সামাজিকভাৱে ন্যায়সংগতনে? যুক্তি দিয়া।

(f) "Rent can arise only if the supply of a factor is less than perfectly elastic." Explain.

"যদি এটা উপাদানৰ যোগান সম্পূৰ্ণ স্থিতিস্থাপকতাকৈ কম হয়, তেতিয়াহে খাজনাৰ সৃষ্টি হ'ব পাৰে।" ব্যাখ্যা কৰা।

**4.** Answer the following questions :
তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Explain under what conditions can a monopolist discriminate between different buyers in fixing the prices of his product. 10

কি কি অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি এজন একচেটিয়া ব্যৱসায়ীয়ে বিভিন্ন ক্ৰেতাৰ মাজত তেওঁৰ উৎপাদিত সামগ্ৰীৰ দাম স্থিৰ কৰে ব্যাখ্যা কৰা।

*Or / অথবা*

Why are monopoly price and profit higher but output is lower than in perfect competition? Discuss. 10

একচেটিয়া বজাৰত দ্ৰব্যৰ দাম আৰু লাভ পূৰ্ণ প্ৰতিযোগী বজাৰতকৈ উচ্চ হয় কিন্তু উপাদানৰ পৰিমাণ কিয় নিম্ন হয় ? আলোচনা কৰা ।

*(b)* Explain the nature of supply curves of an industry under increasing and decreasing cost conditions. 10

ঊৰ্ধ্বগামী আৰু নিম্নগামী খৰছৰ অৱস্থাত এটা উদ্যোগৰ যোগান ৰেখাৰ প্ৰকৃতি ব্যাখ্যা কৰা ।

*Or / অথবা*

Determine the equilibrium condition of a firm under monopolistic competition in the long run. 10

একাধিকাৰ প্ৰতিযোগিতামূলক বজাৰৰ দীৰ্ঘকালত এখন প্ৰতিষ্ঠানৰ ভাৰসাম্য অৱস্থা নিৰ্ণয় কৰা ।

*(c)* Critically discuss the marginal productivity theory of distribution. 10

বিতৰণৰ প্ৰান্তিক উৎপাদনশীলতা তত্ত্বটোৰ সমালোচনামূলক ব্যাখ্যা আগবঢ়োৱা ।

*Or / অথবা*

State and explain the Ricardian theory of rent. What are its drawbacks? 10

ৰিকাৰ্ডৰ খাজনা তত্ত্বটো লিখা আৰু ব্যাখ্যা কৰা । ইয়াৰ সীমাবদ্ধতাসমূহ কি কি ?

*(d)* Discuss in brief the contributions of Kaldor and Hicks to the field of welfare economics. 5+5=10

কল্যাণ অৰ্থনীতিৰ ক্ষেত্ৰত কালডোৰ আৰু হিকচ্‌ৰ অবদান চমুকৈ আলোচনা কৰা।

*Or / অথবা*

The expected life of a project *X* is 5 years and it earns profit ₹ 10,000 after deducting depreciation, taxes and interest. Another project *Y* earns profit of ₹ 18,000 in its expected life of 6 years after deducting depreciation, taxes and interest.

The net investment on the two projects *X* and *Y* are ₹ 25,000 and ₹ 36,000 respectively. If the required rate of return is 12·5%, which of the two projects will be selected? 10

এটা প্ৰকল্প *X*ৰ প্ৰত্যাশিত জীৱনকাল 5 বছৰ আৰু ই সকলো ধৰণৰ হ্ৰণ ভগন, কৰ আৰু সুত কৰ্তনৰ পিছত লাভ কৰে 10,000 টকা। আন এটা প্ৰকল্প *Y*ৰ জীৱনকাল 6 বছৰ আৰু ই সকলো ধৰণৰ হ্ৰণ ভগন, কৰ আৰু সুত কৰ্তনৰ পিছত লাভ কৰে 18,000 টকা।

*X* আৰু *Y* দুয়োটা প্ৰকল্পৰ বাবে নিগুট বিনিয়োগ কৰা হয় ক্ৰমান্বয়ে 25,000 টকা আৰু 36,000 টকা। যদি দুয়োটা প্ৰকল্পৰ বাবে প্ৰত্যাশিত প্ৰতিদান হাৰ 12·5 শতাংশ হয়, কোনটো প্ৰকল্প নিৰ্বাচিত কৰা হ'ব?

★ ★ ★